
# মছীহ সম্বন্ধে আপুনি কি চিন্তা কৰে ?



আবদ- আল- মছীহ

Cover

Printed Matter / News Letter Only.
Regd. No............

If undelivered please return to–

To

.......................................................

.......................................................

.......................................................

*Dar-Ul-Masih*
Post Box No. 234
Guwahati-781001

PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

## Al-Habib

**Al-Habib -** কি জানেনে?

ই এখন সৰু প্ৰচাৰ পুস্তিকা যাৰ অৰ্থ "**মহান বন্ধু**"। এই পুস্তিকাখনিয়ে আপোনাৰ সংগী বা বন্ধু হোৱাৰ কামনা কৰে। "মহান বন্ধু" বা "প্ৰকৃত বন্ধু" কোন এই বিষয়ে পুস্তিকাখনিত প্ৰতি তিনি মাহত বিভিন্ন লিখনি প্ৰকাশ পায়। ই সঁচাকৈয়ে আপোনাৰ প্ৰকৃত বন্ধু নহবনে? নিশ্চয় হ'ব। কেনেকৈ?

(ক) আপুনি ***Dar-ul-Masih*** ৰ **Friendship Club** লৈ ১০০/- টকা মূল্যৰ যিকোনো নতুন ডাক টিকট পঠাই দিয়ক।

(খ) ইয়াত প্ৰকাশ হবৰ বাবে আপোনাৰ সম্পূৰ্ণ নাম, ঠিকনা, বয়স, শিক্ষা আদি উল্লেখ কৰিব। আপোনাৰ প্ৰকৃত বন্ধু কোন — এই বিষয়ে আপোনাৰ উত্তৰ বা ধাৰণা — কবিতা আকাৰত লিখি পঠাওক। বিবেচিত হ'লে আমি নিশ্চয় প্ৰকাশ কৰিম।

(গ) ইয়াত প্ৰকাশ হোৱা বিষয় বস্তুৰ ওপৰত মতামত দিব পাৰে। নাম, ঠিকনা থকা বিভিন্ন বন্ধু/বান্ধৱীৰ সৈতে চিঠিৰে সম্পৰ্ক স্থাপন কৰিব পাৰে।

(ঘ) এই পুস্তিকাখনিৰ পৰাই আপোনাৰ জীৱনৰ প্ৰকৃত বন্ধু ৰূপে হজৰত ঈছা মছীহক আৱিস্কাৰ কৰিব পাৰে। সেয়েহে ***Al-Habib*** সঁচাকৈয়ে আপোনাৰ প্ৰকৃত বন্ধু। ইয়াক পাবলৈ আজিয়েই আমাৰ লগত যোগাযোগ কৰক।

**Friendship Club,**
Post Box No. 234, Guwahati -781 001.



# মছীহ সম্বন্ধে আপুনি কি চিন্তা কৰে?



প্ৰকাশক:
*দ্বাৰ-উল-মছীহ*
ডাক বাচক নং: ২৩৪
গুৱাহাটী-৭৮১০০১



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

# মছীহ সম্বন্ধে আপুনি কি চিন্তা কৰে?

***What Do You Think About Christ*:** An Assamese Christian Literature on the Life, Activities and Significance of Jesus Christ, for the Spiritual benefit of the people of our Society, Translated and Edited by Khursheed Alam and Published by ***Dar-ul-Masih***, Guwahati. Price Rs. 5/ only.

প্ৰথম অসমীয়া সংস্কৰণ, জানুৱাৰী-- ২০০২

দ্বিতীয় অসমীয়া সংস্কৰণ, এপ্ৰিল-- ২০০৫

প্ৰকাশকঃ ***দ্বাৰ-উল-মছীহ,***
ডাক বাকচ নং ঃ ২৩৪,
গুৱাহাটী-৭৮১০০১

© অসমীয়া সংস্কৰণ, অসমীয়া প্ৰকাশক।

১০০০ কপি।

দাম খনেঃ ৫/ টকা মাত্ৰ।

Printed at **ComPress**, Ambari,Guwahati-1



## পাঠক-পাঠিকালৈ প্ৰশ্ন

প্ৰিয় পাঠক-পাঠিকা,

আপুনি মছীহৰ সম্বন্ধে আমাৰ প্ৰথম পাঠ যদি ভালকৈ পঢ়িছে তেন্তে নিম্নোক্ত প্ৰশ্ন সমূহৰ উত্তৰ নিশ্চয় দিব পাৰিব। আপোনাৰ অধিক সংখ্যক উত্তৰ শুদ্ধ হ'লে আমি আমাৰ প্ৰকাশিত ২য় পাঠ আপোনালৈ পঠিয়াম।

১। ঈছা মছীহৰ জন্মত কি অলৌকিকতা লক্ষ্য কৰা যায়?
২। ঈছা মছীহ সদায় বে-গুনাহ কিয়?
৩। ঈছা মছীহৰ বাণীৰ গূঢ়াৰ্থ কি?
৪। ঈছা মছীহৰ কি কামে আপোনাক সৰ্বাধিক প্ৰভাৱান্বিত কৰিছে?
৫। ঈছা মছীহৰ মওতৰ মাজত কি বিস্ময়কৰ কথা দেখা যায়?
৬। ঈছা মছীহৰ মওতৰ পৰা পুনৰুত্থানৰ কাৰণ কি?
৭। ঈছা মছীহে এতিয়া ক'ত আছে আৰু কি কৰি আছে?
৮। ঈছা মছীহৰ দ্বিতীয় আগমণৰ বিষয়ে আপুনি কি বুজি পালে?
৯। আল্লাহ-পাকে ঈছা মছীহক কিয় পুত্ৰ বুলি কয়?
১০। ঈছা মছীহৰ আমন্ত্ৰণৰ প্ৰতি আপুনি নিজে কি চিন্তা কৰে?

## উত্তৰ পঠোৱাৰ ঠিকনা

***দ্বাৰ-উল-মছীহ***
ডাক বাকচ নম্বৰ ঃ ২২৩৪
গুৱাহাটী -৭৮১০০১

***Dar-Ul-Masih***
Post Box No. 234
Guwahati -781001



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

## পৰিশেষ

**শেষত আপোনাক প্ৰশ্ন কৰিছো, ঈছা মছীহৰ বিষয়ে আপুনি কি বুজিলে ?** অথবা ঈছা কালেমাতুল্লাহ সম্বন্ধে আপুনি কি চিন্তা কৰে ?

প্ৰিয় বন্ধু, আপুনি হয়তো ঈঞ্জিল শ্বৰীফৰ বক্তব্যৰ সৈতে একমত নাইবা আপুনি বেহেস্তী শুভ-সংবাদ অস্বীকাৰ কৰে। যিয়ে নহওক কিয় আমি ঈছা মছীহ সম্বন্ধে আপোনাৰ মতামত জানিব বিচাৰো। অনুগ্ৰহ কৰি আপোনাৰ মতামত আমাক জনালে আমি আপোনাক আপোনাৰ আগ্ৰাহানুযায়ী আৰু তথ্য দিবলৈ চেষ্টা কৰিম, যাতে মছীহ আৰু তেওঁৰ পৱিত্ৰ জীৱনৰ বিষয়ে আৰু অধিক জানিব পাৰে। এই কিতাপৰ শেষ পৃষ্ঠাৰ তলত উল্লেখ কৰা ঠিকনাত আমাৰ সৈতে যোগাযোগ কৰিব পাৰে।

## শব্দ-অৰ্থ

ঈছা মছীহ = যীচু খ্ৰীষ্ট, ঈমান = বিশ্বাস, ঈমানদাৰ = বিশ্বাসী, নেক বান্দা = ধৰ্মপ্ৰাণ ব্যক্তি, গাফিল = অমনোযোগী, ৰহমত = অনুগ্ৰহ, বেহেস্ত = স্বৰ্গ, কালাম = বাক্য, কালেমাতুল্লাহ = ঈশ্বৰৰ বাক্য, জব্বুৰ = গীতমালা, হকীকত = সত্য কথা, চাহাবা = শিষ্য, ৰূহুল্লাহ = ঈশ্বৰৰ আত্মা, কিতাবুল মোকাদ্দাছ = পৱিত্ৰ বাইবেল, গুনাহ = পাপ, গুনাহগাৰ = পাপী, বে-গুনাহ = নিষ্পাপ, নাজাত = পৰিত্ৰাণ, মাগফেৰাত = ক্ষমা, আয়াত = পদ, তালিম = শিক্ষা বা উপদেশ, নবী = ভাববাদী, ৰচুল = শিষ্য বা পাঁচনি, কুদ্ৰত = ক্ষমতা, নূৰ = পোহৰ, দোৱা = আশীৰ্বাদ প্ৰাৰ্থনা, মুনাজাত, দিল = হৃদয়, শ্বৰীয়ত = বিধান, ইন্তেকাল বা মওত = মৃত্যু, ৰূহানী = আত্মিক, কোৰবানী = বলি, উৎসৰ্গ গজব = ক্ৰোধ, কাফ্‌ফাৰা = প্ৰায়শ্চিত্ৰ, বাদছাহ = ৰজা, খোদাবন্দ = প্ৰভু, আহ্‌কাম = আজ্ঞা, দাৱাত = নিয়ন্ত্ৰণ, কবুল = গ্ৰহণ, মঞ্জুৰ, আখেৰাত = ক্বিয়ামত বা শেষ বিচাৰৰ দিন, ইঞ্জিল শ্বৰীফ = পৱিত্ৰ বাইবেলৰ নতুন নিয়ম খণ্ড, ৰূহুল কুদ্দুছ বা পাক ৰূহ = পৱিত্ৰ আত্মা।



# পাতনি

**"মছীহ সম্বন্ধে আপুনি কি চিন্তা কৰে"** পুস্তিকাটোৰ ১ম অসমীয়া সংস্কৰণ ওলাইছিল ১৯৯১ চনত কলিকতাৰ **'দি গুড্ ৱে"** অনুষ্ঠানৰ পৰা। সৰু হ'লেও ইয়াত ঈছা-মছীহৰ বিষয়ে কেইটামান গুৰুত্বপূৰ্ণ শিক্ষা থকাত কিতাপ খনে পঢুৱৈ সমাজত যথেষ্ঠ সমাদৰ লাভ কৰিছে। ইয়াৰ প্ৰয়োজনীয়তা ও চাহিদা অনুসৰি প্ৰায় ১০ বছৰৰ পাছত কিছু সাল-সলনি কৰি পুনৰ প্ৰকাশ কৰা হ'ল। কলিকতাৰ **'দি গুড্ ৱে'**ৰ কিছুমান কাৰ্যাৱলী ১৯৯৬ চনৰ পৰা অসমৰ *"দ্বাৰ-উল-মছীহ"* লৈ হস্তান্তৰ হোৱাত পুস্তিকাটোৰ পুনৰ মুদ্ৰন গুৱাহাটীতেই *দ্বাৰ-উল-মছীহৰ* যোগেদি কৰা হ'ল।

এইখিনিতে পঢুৱৈ সমাজক কৈ থওঁ যে, কিতাপখনি "WHAT DO YOU THINK ABOUT CHRIST"ৰ হুবহু অসমীয়া অনুবাদ নহয়। কিছুমান ঠাইত কম প্ৰয়োজনীয় কথাবোৰ বাদ দি, আন কিছুমান ঠাইত অতি প্ৰয়োজনীয় কিছুমান কথা যোগ কৰাও হৈছে। কিন্তু এনে পৰিৱৰ্তন বা পৰিবৰ্দ্ধনৰ দ্বাৰা কিতাপখনৰ মূল বিষয়বোৰৰ "শিক্ষা"ৰ একো পৰিৱৰ্তন কৰা নাই। প্ৰতিটো অধ্যায়ৰ লগতে শেষৰ পাঠক-পাঠিকালৈ প্ৰশ্ন কেইটাও ঠিকেই ৰখা হৈছে। অনিচ্ছাকৃতভাৱে ৰৈ যোৱা ভুলৰ কাৰণে ৰাইজে ক্ষমা কৰে যেন। শেষত কওঁ, কিতাপখনে আগৰ দৰে পঢুৱৈ সমাজৰ চাহিদা পূৰণ তথা উপকৃত কৰিব পাৰিলে আমাৰ শ্ৰম সাৰ্থক হ'ব বুলি ভাবিম। হজৰত ঈছা মছীহৰ প্ৰেম, শান্তি আৰু অনুগ্ৰহ সকলোৰে লগত থাকক— খোদা হাফিজ।

**খুৰছিদ আলম,** সম্পাদক
*দ্বাৰ-উল-মছীহ*
গুৱাহাটী - ২৪/৪/২০০৫



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

প্ৰকাশক:
*দ্বাৰ-উল-মছীহ*
ডাক বাচক নং: ২৩৪
গুৱাহাটী-৭৮১০০১

সূচী প



৪৫ আয়াত)। *“মোৰ পিতৃৰ দ্বাৰাই সকলোকে মোত সমৰ্পন কৰা হৈছে; আৰু পিতৃৰ বাহিৰে কোনেও পুত্ৰক নাজানে; পুত্ৰৰ বাহিৰে আৰু পুত্ৰই যি কোনোৰ আগত তেওঁক প্ৰকাশ কৰিবলৈ ইচ্ছা কৰে তেওঁৰ বাহিৰেও কোনেও পিতৃক নাজানে ”*(মথি ১১:২৭)। *“ময়েই প্ৰকৃত দ্ৰাক্ষালতা; মোৰ পিতৃ খেতিয়ক...”*(ইউহোন্না ১৫:১)।

## মছীহৰ দাৱাতৰ বা আমন্ত্ৰণৰ প্ৰতি আপোনাৰ প্ৰতিক্ৰিয়া কেনে?

*আল্লাহৰ ৰুহানী পুত্ৰ ঈছা মছীহে নম্ৰভাৱে আপোনাক কৈছে, “হে পৰিশ্ৰান্ত আৰু ভাৰাক্ৰান্ত লোকসকল, মোৰ ওচৰলৈ আহাঁ, মই তোমালোকক জিৰণি দিম। মই নম্ৰ আৰু কোমল দিলৰ মানুহ, এই হেতুকে তোমালোকৰ ওপৰত মোৰ যুঁৱলি লোৱা আৰু মোৰ পৰা তালিম লোৱা, তাতে তোমালোকে নিজৰ নিজৰ মনত জিৰণি পাবা। কিয়নো মোৰ যুঁৱলি সুসহ্য আৰু ভাৰো লঘু”*(মথি ১১:২৮-৩০)। মছীহৰ এনে আমন্ত্ৰণ শুনি বহুতেই তেওঁৰ অনুগামী হৈছিল আৰু তেওঁলোকৰ জীৱন তেওঁতেই সমৰ্পণ কৰি শেষত ৰুহুল কুদ্দুছৰ শুক্তিৰে পৰিপূৰ্ণ হৈছিল।

মছীহ আজিও জীৱিত আৰু তেওঁক অনুসৰণ কৰিবলৈ ব্যক্তিগতভাৱে সকলোকে তেওঁ আহ্বান কৰিছে। সেই দাৱাত কবুল কৰি আপুনি তেওঁৰ ৰহমতত নিজকে সমৰ্পণ কৰক। প্ৰতিদানত তেওঁ আপোনাক তেওঁৰ পাকৰুহৰ দ্বাৰা অভিষিক্ত কৰিব, যেন কথা আৰু কামত আপুনি এজন পৰিৱৰ্তন পোৱা মানুহৰ দৰে গঢ়ি উঠে। আপুনি হৈ পৰিব সত্যবাদী, কৰ্মোপযোগী, নম্ৰ আৰু মৰমিয়াল ব্যক্তি আৰু খোদাৰ শক্তিয়ে ভাষাৰে বুজাব নোৱাৰাকৈ, আপোনাৰ মন আৰু হৃদয়, অতি সোণকালেই হ'বলগীয়া মছীহৰ দ্বিতীয় আগমণ পৰ্যন্ত্য পৱিত্ৰ কৰি ৰাখিব। **হজৰত ঈছা মছীহৰ সেই পুনৰাগমন অতি সোণকালে হ'ব।**



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

*পুত্ৰ, এওঁত মই পৰম সন্তুষ্ট; এওঁৰ কথা শুনা'* (মথি ১৭:৫)।

"আল্লাহৰ পুত্ৰ' মানে কি ? সন্তান সাধাৰণতে পিতৃৰ প্ৰতিচ্ছবি স্বৰূপ। মছীহত আমি আল্লাহৰ গুণসমূহ দেখোঁ। তেওঁ শিষ্যসকলক কোৱাৰ নিচিনাকৈ, *"যি জনে মোক দেখিলে, তেওঁ মোৰ পিতৃকেই দেখিলে"*(ইউহোন্না ১৪:৯)। এই কথা তাৎপৰ্য্যপূৰ্ণ যে, ঈছা মছীহ আল্লাহ পাকৰ পৰা আহিছিল গুনাহৰ গোলাম সকলক মুক্ত কৰিবলৈ। প্ৰকৃত মানৰতা কি আমাক দেখুৱাবলৈ তেওঁ সাধাৰণ, নম্ৰ মানৱৰূপে দুনিয়ালৈ আহিছিল। সেয়ে আমাৰ ইচ্ছাৰে নহয়, কিন্তু একমাত্ৰ মছীহৰ মহব্বতেহে আমাক ৰক্ষা কৰিব পাৰে। কোৰাণত পাওঁ ঃ" *আমি মুছাক পুথি প্ৰদান কৰিছিলো। তাৰ পাছত একাদিক্ৰমে বহু ৰছুল পঠিয়াইছিলো। শেষত মৰিয়ম-পুত্ৰ ঈছাক স্পষ্ট নিৰ্দশনাৱলীৰে সৈতে পঠিয়াইছিলো আৰু পৱিত্ৰ আত্মাৰে তেওঁক শক্তিসম্পন্ন কৰিছিলো ..."* (ছুৰা আল-বাকাৰা ৮৭ আয়াত)। লগতে তৰোৱাল লৈ ফুৰা ব্যক্তিজনক শক্তিশালী যেন লাগিব পাৰে কিন্তু নিজকে জয় কৰা ব্যক্তিজন নিশ্চয় অধিক শক্তিশালী। সকলোৰে কাৰণে নিজৰ জীৱন কোৰবাণী কৰা জন নিশ্চয় সৰ্বোত্তম। সেয়ে হজৰত ইউহোন্নাই এই বুলি স্বীকাৰ কৰিছে। *"সেই কালাম মানুহ হ'ল আৰু অনুগ্ৰহ আৰু সত্যতাৰে পৰিপূৰ্ণ হৈ আমাৰ মাজত বসতি কৰিলে, তাতে পিতৃৰ একমাত্ৰ পুত্ৰৰ উপযুক্ত যি প্ৰভাৱ, সেই প্ৰভাৱ আমি দেখিলোঁ"*(ইউহোন্না ১:১৪)।

মছীহ দুনিয়ালৈ আহিছিল, যাতে আমি বুজি পাওঁ যে আল্লাহ-পাকেই সেই পিতা (ৰব্), যিজন ৰহমত আৰু মহব্বতেৰে পৰিপূৰ্ণ। এনেদৰে মছীহে আমাক আল্লাহ-পাক সম্বন্ধে নতুন ধাৰণা দিলে। **তেওঁ কয় ঃ** *"মোৰ মেৰবিলাকে হ'লে মোৰ মাত শুনে, ময়ো সেই বিলাকক জানো, আৰু সেইবিলাকে মোৰ পাছে পাছে আহে, আৰু মই সেইবিলাকক অনন্ত জীৱন দিওঁ"*(ইউহোন্না ১০:২৭-২৮)।কোৰাণত এইদৰে আছেঃ "*...হে মৰিয়ম, আল্লাহে তোমাক তেওঁৰ এটি বাণীৰ সুসংবাদ দিছে, তেওঁৰ নাম হ'ব মৰিয়ম পুত্ৰ ঈছা মছীহ; ইহকাল আৰু পৰকাল উভয় কালতে তেওঁ মৰ্য্যাদাসম্পন্ন হ'ব আৰু আল্লাহৰ নৈকট্য প্ৰপ্তসকলৰ এগৰাকী হ'ব "*(ছুৰা আলে-ইমৰাণ



# ঈছা মছীহ কোন ? এক অৱলোকন

*ড° আবদ আল ফাদি, চৌদি আৰাবিয়া।*

চাৰে তিনি বছৰীয়া তৱলীগী জীৱনত হজৰত ঈছা মছীহে এবাৰ চাহাবা সকলক প্ৰশ্ন কৰিছিল, **"সাধাৰণ মানুহে মোক কি, বা কোন বুলি ভাৱে?" চাহাবাসকলে উত্তৰত ক'লে,"ত্বৰীকা দিওঁতা ইউহোন্না, কিন্তু কোনোৱে এলিয়া নবী আন কোনোৱে অতীতৰ কোনোবা এজন নবী বুলি ভাবে।"** মছীহে পুনৰায় সুধিলে,"তোমালোকে মোক কোন বুলি ভাবা?" তাতে হজৰত পিতৰে উত্তৰ দি ক'লে, **'আপুনি আল্লাহৰ সেই অভিষিক্ত (মছীহ) জনা।"** ইছা মছীহে সগোক্তি কৰি ক'লে- 'এই কথা যেন প্ৰচাৰ নকৰা' (লূক ৯ঃ১৮-২১ আয়াত)।

মছীহ সম্পৰ্কে এই প্ৰশ্নটো নিশ্চয় সৰ্ব সাধাৰণেও কৰিব আৰু দোমোজাত পৰিব। মছীহ সম্বন্ধে বিভিন্ন সম্প্ৰদায়ে, ধৰ্মীয় লোকে আনকি ধৰ্ম তাত্বিক সকলেও বিভিন্নতা অনা দেখা যায়। অৱশ্যে প্ৰকৃত ইছায়ী সকলে- যি কোনো দেশতেই নাথাকক কিয়, ঈমান আনে যে, মছীহৰ ব্যক্তিত্বৰ মাজতে মানৱ জাতিৰ খোদাৰ লগত একত্ৰ হোৱাৰ ব্যৱস্থা নিহিত হৈ আছে। মছীহৰ ব্যক্তিত্ব নো কি আৰু কিয় ইয়াৰ ওপৰত মণ্ডলীয়ে ঈমান আনে এই প্ৰশ্নৰ উত্তৰো মছীহৰ ব্যক্তিত্ব তথা তেওঁৰ লগত থকা আল্লাহৰ ঘনিষ্ঠতাৰ ওপৰত নিৰ্ভৰশীল।

মছীহৰ জন্মৰ প্ৰায় এহাজাৰ বছৰ আগৰ ঐশীবাণীসমূহ চালি-জাৰি বুজা গৈছে যে, বেহেস্তৰ পৰা এজন 'দেৱশক্তিৰ আৰ্বিভাব হ'ব যিয়ে জগতবাসীক উদ্ধাৰ কৰিব। হজৰত ইব্ৰাহীমৰ গৃহৰ, হজৰত দায়ুদৰ বংশত, ইহুদী গোষ্ঠীত জন্মা জনেই এনে শক্তিৰ অধিকাৰী হব। তেওঁক ইম্মানুয়েল খোদা বোলা যাব। এই ঐশীবাণী মছীহৰ জন্মৰ বহু শতিকাৰ আগতেই পৃথিৱীলৈ খোদায় ৰছুলৰ যোগেদি অৱগত কৰাইছিল।

স্পাৰজিয়ন নামৰ এজন বিশ্ববিখ্যাত প্ৰচাৰকে কৈছে যে, মছীহ হ'ল বিশ্ব ইতিহাসৰ কেন্দ্ৰীয় ব্যক্তি। সকলো বস্তু বা বিষয় একমাত্ৰ তেওঁৰ পৰাহে আগলৈ, পিছলৈ যায় বা ৰৈ থাকে। পৃথিৱী খ্যাত ঐতিহাসিক চৰিত্ৰবোৰো তেওঁক কেন্দ্ৰ কৰিয়েই গঢ়ি উঠে। তেওঁৰ অলৌকিক কাৰ্য্যবোৰ,



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

নিৰ্ভীক ঘোষণা আৰু সত্যৰ বিষয়ে দিয়া সাক্ষ্য- শিক্ষা- প্ৰত্যেকেই তেওঁৰ ব্যক্তিত্বৰ মহানতা প্ৰকাশ কৰে।

পৃথিৱীত জীৱিত থকা কালত মছীহে মৃতকক জীৱিত কৰিব পাৰিছিল। ইঞ্জিল শ্বৰীফত আছেঃ *"সেই নগৰৰ দুৱাৰৰ ওচৰ পালত, চোৱা মানুহবিলাকে এটা মৰা মানুহ বাহিৰলৈ লৈ আহিছিল। তেওঁ মাকৰ একেটি মাত্ৰ পুতেক আছিল আৰু তেওঁ বাঁৰী (বিধবা)। তেওঁৰ লগত নগৰৰ বহু মানুহ আছিল। তেতিয়া প্ৰভুৱে (ঈছা মছীহে) তেওঁক দেখি মৰম লাগি কলে, তুমি নাকান্দিবা। পাছে তেওঁ ওচৰলৈ গৈ মৰাৰ চাং চুলত বৈ নিয়াবিলাকে ৰ'ল। তাতে তেওঁ কলে, হে ডেকা মানুহ উঠা, মই ইয়াকে তোমাক কৈছো। তেতিয়া সেই মৰা মানুহজনে উঠি বহি কথা কবলৈ ধৰিলে। মছীহে তেওঁক মাকৰ হাতত দিলে।"*(লূক ৭ঃ১২-১৫ আয়াত)।

হজৰত ইউহোন্নালৈ মছীহে দৰ্শনৰ যোগেদি এই দেৱবাণী ঘোষণা কৰিছিল, *"-মই আদি আৰু অন্ত, যি জনা বৰ্ত্তমান, ভূত ভৱিষ্যত আৰু সৰ্বশক্তিমান, সেই প্ৰভু, মহান খোদা পাকে কৈছে- মই আলফা আৰু ওমিগা"* (প্ৰকাশিত কালাম ১ঃ৮ আয়াত)।

তেওঁ আৰু কৈছিল, *"মই দুনিয়াৰ নুৰ, যিজন মোৰ পাছে পাছে আহে, তেওঁ আন্ধাৰত নুফুৰি জীৱনৰ নুৰ পাব"*(ইউহোন্না ৪ঃ১২)।" *মছীহে তেওঁবিলাকক ক'লে, জীৱন দিওঁতা আহাৰ ময়েই, যি জন মোৰ ওচৰলৈ আহে, তেওঁৰ কোনোমতেই ভোক নালাগিব"* (ঐ ৬ঃ৩৫)। ইঞ্জিলৰ এই আয়াত সমূহৰ পৰা আমি উপলব্ধি কৰিব পাৰো যে, ঈছা মছীহ হ'ল "জীৱন" আৰু নাজাত দিওঁতা-- আন কথাত আত্মিক ভোক নিবাৰণ কৰোতা। মছীহে পাক ৰূহুৰ জৰিয়তে পৰবৰ্তী সময়ত মণ্ডলীৰ আলেম সকললৈ ঐশীবাণীৰে মছীহিয়াত ঈমানৰ ভেটি এনেদৰে সংক্ষেপে ব্যক্ত কৰিছিল,"

(ক) যিয়ে নাজাত পাব বিচাৰে তেওঁ- এই মহা-জাগতিক ঈমানক মানি লব লাগিব।

(খ) মহা জাগতিক ঈমান হ'ল, "আমি এক আল্লাহৰ এবাদত কৰো - ত্ৰিত্ব পাকৰ মাজতেই সেই এক আল্লাহৰ অৱস্থান।"

(গ) ত্ৰিত্বত তিনিজন বুলি নহয় অথবা সংগলগ্নহীন বুলিও নহয় -



*বিশ্বাস কৰা, মোতো বিশ্বাস কৰা। মোৰ আব্বাৰ গৃহত (বেহেস্থত) অনেক থকা ঠাই আছে, নোহোৱা হ'লে তোমালোকক কলোহেঁতেন, কিয়নো মই তোমালোকলৈ ঠাই যুগুত কৰিবলৈ যাওঁ। আৰু মই তোমালোকলৈ যদি ঠাই যুগুত কৰোগৈ, তেন্তে মই যি ঠাইত থাকো - তোমালোকো যেন সেই ঠাইত থাকিবলৈ পাবা - এই নিমিত্তে মই আকৌ আহি তোমালোকক মোৰ ওচৰলৈ লৈ যাম'* (ইউহোন্না - ১৪ঃ২-৩)। **প্ৰিয় ঈমানদাৰ ভাইসকল, সোণকালেই ঈছা মছীহক গ্ৰহণ কৰি আগন্তুক গজবৰ পৰা নিজকে ৰক্ষা কৰক।**

সকলো ঈমানদাৰ ব্যক্তিয়েই পৰম আগ্ৰহেৰে মছীহৰ আগমনলৈ বাট চায়। এনেকি ইহুদী আৰু মুছলমান সকলেও তেওঁ সোনকালে আহিব বুলি জানে। কোনো কোনোৱে বিশ্বাস কৰে যে তেওঁ চল্লিশ বছৰ দুনিয়াত ৰাজত্ব কৰিব, কোনোৱে কয় এশ বছৰ বুলি। আন সকলে এই কাল এহেজাৰ বছৰ হ'ব বুলি নিশ্চিত। কিন্তু কিতাবুল মোকাদ্দাছে নিশ্চিতৰূপে কয় যে ঈছা মছীহ বাদছাহৰো বাদছাহ, (The King of kings) খোদাবন্দৰো খোদা আৰু তেওঁৰ কোনো অন্ত নাই। তেওঁৰ ৰাজত্ব অনন্তকলীয়া। তেওঁ কৈছিল, *"মই ৰজা... সত্যতাৰ পক্ষে সাক্ষ্য দিবলৈ মই জন্ম ধৰি এই দুনিয়ালৈ আহিলো। সত্যতাৰ ফলীয়া সকলোৱে মোৰ কথা শুনে... ।"* (ইউহোন্না ১৮:৩৭-৩৮)। মছীহে কলে, *"অকল পিতৃৰ বাহিৰে বেহেস্থৰ দূতবিলাক বা পুত্ৰ কোনেও সেই দিন আৰু সময় নাজানে-কিন্তু নোহৰ দিন যেনে-মানুহৰ পুত্ৰৰ আগমনো তেনে হ'ব"* (মথি ২৪:৩৬-৩৭)। আৰু সেই দিন অতি সোনকালে হ'ব।

## মছীহৰ নাম আৰু উপাধি সমূহ

কোনো কোনো নবীৰ বিশেষ বিশেষ উপাধি আছে। ইব্ৰাহীম নবী আল্লাহ-পাকৰ দোস্ত, মুছা আল্লাহ-পাকৰ মুখপাত্ৰ আৰু ঈছা মছীহ আল্লাহ-পাকৰ কালাম অৰ্থাৎ তেওঁ কালেমাতুল্লাহ্ আৰু ৰূহুল্লাহ্। ইঞ্জিল শৰীফত আমি পাওঁ এক বেহেস্তী কণ্ঠই এনেদৰে কোৱা, ***'এওঁ মোৰ প্ৰিয় (ৰূহানী)***



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

অনা ব্যক্তিয়ে নিজ হৃদয়ত পাক ৰূহৰ পৰিপূৰ্ণতা অনুভৱ কৰে। যদি আপুনি জীৱিত মছীহৰ অস্তিত্ব অনুভৱ কৰিব খোজে তেন্তে আপোনাৰ হৃদয় তেওঁৰ ৰূহুল-কুদ্দুছৰ প্ৰতি মুকলি কৰি দিয়ক। তেওঁৰ পৰিকল্পনা অনুসৰি আপুনি এক নতুন জীৱন লাভ কৰিব। **ঈছা মছীহক প্ৰত্যাখ্যান কৰা সকলে স্বয়ং আল্লাহ-পাককেই প্ৰত্যাখ্যান কৰে, কিয়নো তেঁৱেই মছীহক দুনিয়াৰ সমস্ত গুনাহৰ কাফ্ফাৰা হিচাপে প্ৰদান কৰিছে।** আল্লাহ-পাকে মছীহক সম্বোধি দায়ুদ নবীৰ আগত প্ৰকাশ কৰা এই ভৱিষ্যতবাণী পৰিপূৰ্ণ কৰিছেঃ - *“তোমাৰ দুছ্মন্‌বোৰক তোমাৰ ভৰি-পীৰা নকৰোঁ মানে মোৰ সোঁহাতে বহি থাকা”* (জব্বুৰ ১১০:১)।

মছীহক অস্বীকাৰ কৰা মানেই মছীহৰ যোগেদি প্ৰকাশিত আল্লাহ-পাকে দিয়া নাজাত প্ৰাপ্তিৰ একমাত্ৰ উপায়কে অস্বীকাৰ কৰো। মছীহৰ পুনৰুত্থানৰ আগলৈকে মওতেই মানুহৰ সবাতোকৈ ডাঙৰ দুছ্মন্ আছিল। কিন্তু মছীহে মওতক জয় কৰি জীৱন্তৰূপে পুনৰ আবিৰ্ভুত হ’ল। তেওঁ আৰু কেতিয়াও নমৰে। তেওঁৰে সৈতে সংলগ্ন হৈ থকা লোক সকলোৱে জগতৰ মন্দতাক পৰাস্ত কৰি ক্ষমতাসম্পন্ন জীৱনৰ অধিকাৰী হয়। **মছীহৰ পুনৰুত্থানৰ জৰিয়তে প্ৰকাশ পোৱা আশীৰ্বাদবোৰ আপুনি উপলব্ধি কৰিব পাৰিছেনে ? আপুনি সেই আশীৰ্বাদ গ্ৰহণ কৰিছেনে ? পলম নকৰিব, আজিয়েই পৰম গ্ৰাহ্য কাল, আজিয়েই তেওঁক গ্ৰহণ কৰাৰ উত্তম সময়।**

## মছীহৰ দুনিয়ালৈ পুনৰাগমন

ঈছা মছীহ নিজেই মহব্বত। আল্লাহই ক্ষমা আৰু মহব্বত কৰাৰ দৰে তেওঁও আমাক মহব্বত আৰু ক্ষমা কৰিব পাৰে। তেওঁ আমাক সকলো সময়তে কাষত ৰাখিবলৈ বিচাৰে। নিজৰ মওত আৰু পুনৰুত্থানৰ বিষয়ে কোৱাৰ দৰেই মছীহে আকৌ এবাৰ দুনিয়ালৈ আহিব বুলি ভৱিষ্যতবাণী কৰি গৈছে। কঠিন হৃদয়ৰ, অহঙ্কাৰী আৰু নিজকে গুণাহগাৰ বুলি স্বীকাৰ কৰি মছীহৰ ক্ষমাদান গ্ৰহণ নকৰা লোকবোৰৰ পৰা ঈমানদাৰসকলক তেওঁ পৃথক কৰিবলৈ আহিব। মছীহে কৈছে, *“তোমালোকৰ হৃদয় ব্যাকুল নহওক, আল্লাহক*



কাৰণ তিনিটা শক্তি মিলি সৰ্বশক্তিমান আল্লাহৰ সত্বা।

(ঘ) এজন হ’ল পিতৃ বেহেস্তী পিতা, তেওঁৰ ৰূহানী পুত্ৰ আৰু তেওঁৰ পাক ৰূহ- দৰাচলতে একেটাই। কাৰণ তিনিওটাই সমান গৌৰৱৰ, অনন্তকাল স্থায়ী আৰু মহিমান্বিত।

(ঙ) বেহেস্তী পিতা যেনে, ৰূহানী পুত্ৰও তেনে, পাক ৰূহুও তেনেকুৱাই।

(চ) বেহেস্তী পিতা সৃষ্ট নহয়, ৰূহানী পুত্ৰ সৃষ্ট নহয়, আৰু পাক ৰূহু বা ৰূহুল কুদ্দুছ সৃষ্ট নহয়।

(ছ) বেহেস্তী পিতা, ৰূহানী পুত্ৰ আৰু ৰূহুল কুদ্দুছ সৰ্ব ক্ষেত্ৰত অতুলনীয়।

(জ) বেহেস্তী পিতা, ৰূহানী পুত্ৰ আৰু পাক-ৰূহ অনন্তকলীয়া। অৱশ্যে তিনিটা পৃথককৈ অনন্তকলীয়া নহয়, কিন্তু একে অনন্তকলীয়া। যেনেদৰে এই তিনিওটা, অসৃষ্ট, অতুলনীয় আৰু অনন্তকলীয়া, ঠিক তেনেদৰে সৰ্বশক্তিমানো।

(ঝ) বেহেস্তী পিতা, ৰূহানী পুত্ৰ আৰু পাক ৰূহ সৰ্বশক্তিমান।

(ঞ) এই তিনিওটা শক্তিক পৃথকে পৃথকে আল্লাহ কব পাৰে - যদিও তেওঁলোক এক আল্লাহ , তিনিটা নহয়।

(ত) এই তিনিওটাই মহা প্ৰভু, কিন্তু অসংগলগ্ন ভাবে নহয়, একত্ৰিত ভাবে এক প্ৰভু।

(থ) আমি বিশ্বৰ মছীহি ঈমানদাৰ সকলে ঈমান আনো যে, আমাৰ ঈলাহ এজনেই কাৰণ মহাজাগতিক ঈমানে আমাক তিনিজন আল্লাহ কবলৈ বাৰণ কৰে।

(দ) পিতৃ এজন, তিনিজন নহয়, ৰূহানী পুত্ৰ এজন, তিনিজন নহয়, পাক ৰূহ এজন, তিনিজন নহয়।

(ধ) ত্ৰিত্ববাদত এই তিনিটাৰ কোনেও কোনোটোৰ আগত বা পিছত নহয়, তিনিওটাই একেলগে - সমমান আৰু অনন্তকলীয়া।

(ন) এনেদৰেই ত্ৰিত্বৰ এক আল্লাহক মান্য কৰি আমি তেওঁৰেই এবাদত কৰো।



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

(প) এয়া আমাৰ মহাজাগতিক ঈমান যে, আমি এক আল্লাহক, তেওঁৰ ৰূহানী পুত্ৰ আৰু পাক ৰূহৰ মাধ্যমত এবাদত কৰোঁ। বেহেস্তী পিতাৰ ইচ্ছাতেই পাকৰূহে গৈ কুমাৰী মৰিয়মৰ গৰ্ভত স্থিতিলৈ সন্তানৰূপে পৃথিৱীলৈ আহে। সেয়ে তেওঁ আল্লাহৰ ৰূহানী পুত্ৰ। আমি সেই ৰূহানী পুত্ৰৰ সেৱক।

(ৰ) আল্লাহক আমি পিতৃ বোলো কাৰণ তেওঁ আমাৰ সৃষ্টিকৰ্ত্তা, পালনকৰ্ত্তা, ৰক্ষাকৰ্ত্তা। তেওঁৰ গুণ সমূহ মছীহক দিয়া হৈছিল- যিয়ে মৃতকক জীয়াইছিল, হায়াত মওতৰ কথা, ধন দৌলত আৰু ৰেজেকৰ কথা কব পাৰিছিল। "*আৰু তেওঁ ইছ্ৰাইলৰ বংশধৰ সকলৰ প্ৰতি ৰছুল কৰি পঠিয়াব। "মই তোমালোকৰ প্ৰভুৰ ওচৰৰ পৰা তোমালোকৰ বাবে নিৰ্দশন লৈ আহিছোঁ; মই তোমালোকৰ আগত মাটিৰে পখীৰ আকাৰ দি তাত ফুঁ দিওঁ আৰু ই আল্লাহৰ নিৰ্দেশত পখী হৈ পৰে। মই আল্লাহৰ নিৰ্দেশত জন্মান্ধ আৰু কুষ্ঠ ৰোগীক আৰোগ্য কৰোঁ আৰু মৃতকক জীৱিত কৰোঁ আৰু মই তোমালোকক কৈ দিব পাৰোঁ তোমালোকে ঘৰত কি খাইছা, কি সঞ্চয় কৰিছা ! যদি তোমালোক বিশ্বাস স্থাপনকাৰী হোৱা তেনেহ'লে ইয়াত তোমালোকৰ বাবে নিৰ্দশন আছে*" (ছুৰা আলে-ইমৰাণ ৪৯ আয়াত)। আমি প্ৰতিজন মুছলমান ভাই-ভনীয়ে এই কথাটো জানো যে, হায়াত (আয়ুস) মওত (মৃত্যু) ৰেজিক (খাদ্য) দৌলত (সম্পদ) আল্লাহৰ হাতত। মই বিশ্বাস কৰোঁ ইয়াত আমাৰ কোনো সন্দেহ নাই। ওপৰত উল্লেখ কৰা আয়াত অনুসৰি দেখা যায় যে, আল্লাহই উক্ত ক্ষমতাসমূহ হজৰত ঈছা মছহীক দি দিছিল। সচাঁকৈ দিয়া হৈছে এনে নহয় কোৱাও হৈছে, **তোমালোক বিশ্বাসী হোৱা ইয়াতে তোমালোকৰ বাবে নিদৰ্শন আছে।** অৰ্থাৎ যদি আমি তেওঁৰ ওপৰত ঈমান আনো তেন্তে নিদৰ্শন বা চিন দেখিবলৈ পাম।

পঢ়ুৱৈ সকলে নিশ্চয় উপলব্ধি কৰিছে, ওপৰৰ আলোচনাখিনি পাক কিতাব ইঞ্জিল আৰু শেষত কোৰাণৰ এটা আয়াতৰ ওপৰত ভিত্তি কৰি বৰ্ণনা কৰা হৈছে। মুছলমান মাত্ৰেই বিশ্বাস কৰে যে, মছীহ এতিয়াও বেহেস্থত জীৱিত হৈ আছে আৰু কিয়ামতৰ চল্লিশ বছৰ আগত এই দুনীয়াত পুনৰ আহিব। আহি প্ৰত্যেককে নিজৰ নিজৰ কৰ্মৰ পুৰস্কাৰ দিব। আপুনি যদিহে তেওঁত ঈমান আনিছে তেন্তে আপোনাৰ চিন্তা নাই। কিন্তু যদিহে ঈমান অনা নাই তেন্তে আপোনাৰ বাবে ভয়ঙ্কৰ সময় উপস্থিত হব।



## মওতৰ ওপৰত মছীহৰ বিজয়

মছীহৰ বাস্তৱিকতে মওত হৈছিল আৰু শিলত কটা এটা মৈদামত তেওঁক কবৰ দিয়া হৈছিল। তেওঁৰ দুছ্মনবোৰে কবৰৰ দুৱাৰ মুখত এটা প্ৰকাণ্ড শিল ৰাখি তাক সেইকালৰ সৰ্ববৃহৎ ৰাষ্ট্ৰখনৰ মোহৰ মাৰি বন্ধ কৰিছিল যাতে মৃতদেহ তেওঁৰ চাহাবাসকলে ৰাতি চোৰ কৰি নিব নোৱাৰে। কবৰৰ দুৱাৰ মুখত সশস্ত্ৰ প্ৰহৰীৰো ব্যৱস্থা কৰা হৈছিল।

কিন্তু তিনি দিন পাচত মছীহে মওতৰ পৰা পুনৰুত্থিত হৈ কবৰৰ পৰা ওলাই আহে। পাচত চাহাবাসকলে শূন্য কবৰ দেখা পায়। পুনৰুত্থিত মছীহক দেখি তেওঁলোকে বিস্মিত হয় আৰু ভূত বুলি ভয়তে কম্পমান হয়। কিন্তু তেওঁ তেওঁলোকক মৰমেৰে কথা কয় আৰু নিজ হাত ভৰিৰ গজালৰ আঘাতৰ চিনবোৰ দেখুৱায়। তেওঁ তেওঁলোকৰ আগত ভোজন কৰে আৰু নিজকে স্পৰ্শ কৰি চাবলৈ দিয়ে যাতে তেওঁ সঁচাকৈ পুনৰুত্থিত হোৱা বুলি আৰু তেওঁৰ শৰীৰ সঁচা জীৱন্ত বুলি চাহাবাসকলে নিশ্চিত হ'ব পাৰে।

আল্লাহ পাকৰ সকলো নবী আৰু ৰছুলেই মওত বৰণ কৰিছে। তেওঁলোকৰ মৃতদেহ ক্ষয়প্ৰাপ্ত আৰু জীৰ্ণ শীৰ্ণ অৱস্থাত কবৰতে আছে। কিন্তু মছীহ জীৱন্ত— তেওঁ মৃত্যুঞ্জয়ী। তেওঁ এতিয়াও বেহেস্তত খোদাৰ সোঁহাতে বহি আছে। মছীহই মওতৰ পৰা পুনৰুত্থান হৈছিল। **এই মহৎ কাৰ্যৰ জৰিয়তে সৰ্বশক্তিমান আল্লাহ পাকে এটা কথা প্ৰমাণ কৰি দিলে যে তেওঁ সলীবত মওত বৰণ কৰা জনাক মহব্বত কৰে আৰু দুনিয়াৰ হৈ সলীবত আগবঢ়োৱা সেই মহান কোৰবানীত তেওঁ পৰম সন্তুষ্ট।**

## আল্লাহ পাকৰ ওচৰলৈ মছীহৰ আৰোহণ

আপুনি জানিছিল নে মছীহে আল্লাহ-পাকৰ সোঁহাতে বহিবলৈ বেহেস্তলৈ উঠি গ'ল ? বেহেস্তৰ পৰা মানৱৰূপে যিদৰে তেওঁ নামি আহিছিল, নিজ কোৰবানীৰ দ্বাৰাই গুনাহক ধ্বংস কৰি, ছয়তানক পৰাস্ত কৰি একেদৰে বেহেস্তলৈ উভটি যায়। মানুহে আল্লাহ পাকৰ ওচৰত যাবলৈ হ'লে তেওঁ বিশ্বাসী আৰু নিৰ্ভৰযোগ্য মধ্যস্থতাকাৰী। সেই মধ্যস্ততাৰ ওপৰত ঈমান



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

# মছীহৰ দুঃখভোগ

আপোনাৰ মওত ক'ত, কেনেকৈ, কেতিয়া হ'ব জানেনে ? আপোনাৰ নিজৰ চহৰত, ৰাস্তাত নে শয্যাত ? দুৰ্ঘটনাত নে স্বাভাৱিক ভাৱে হ'ব ? কিমান বয়সত, কোন মাহৰ কোন তাৰিখত আপোনাৰ মওত হব ? আপোনাৰ মওতৰ পাচত পৰিয়ালবৰ্গৰ কি হব ?

আমাৰ মওতৰ বিষয়ে আমি একো নাজানো। নবীসকলেও নিজৰ মওতৰ নিৰূপিত সময়ৰ বিষয়ে নাজানিছিল। কিন্তু খোদাবন্দ মছীহে জানিছিল আৰু আগতেই এলান কৰিছিল যে তেওঁ ইহুদী বিচাৰক আৰু মূৰ্তি পূজক ৰোমানসকলৰ দ্বাৰাই বিচাৰৰ পাচত অশেষ দুঃখ-কষ্ট সহ্য কৰি জেৰুজালেমত মওত বৰণ কৰিব। তেওঁ তেওঁৰ মওতৰ দিনো স্ব-ইচ্ছায় বাছি লৈছিল। সেয়া আছিল ইহুদীসকলৰ ভোজন পৰ্বৰ দিন, যি দিনত আল্লাহ পাকৰ গজবৰ পৰা হাত সাৰিবলৈ লোকসকলে ভেড়া কোৰবানী কৰে। গতিকে সেইদিনা আল্লাহ পাকৰ ভেড়া স্বৰূপে তেওঁ আমাৰ কুকৰ্ম্ম তথা সমগ্ৰ দুনিয়াৰ গুণাহ বহন কৰি মওত বৰণ কৰিলে যাতে তেওঁত ঈমান অনা প্ৰতিজনৰ পৰা আল্লাহ পাকৰ গজব আঁতৰি যায়। মছীহক বিশ্বাস কৰা ব্যক্তিমাত্ৰেই পাক আৰু ধাৰ্মিকৰূপে গণ্য হয়। ঈছা মছীহে কৈছিল, *"মই মোৰ প্ৰাণ পুনৰায় লবলৈ তাক এৰি দিওঁ... কোনোবাই মোৰ পৰা কাঢ়ি নিয়ে এনে নহয়, মই নিজেই তাক এৰি দিওঁ। তাক এৰি দিবলৈ মোৰ ক্ষমতা আছে, আৰু তাক পুনৰায় লবলৈকো মোৰ ক্ষমতা আছে"*(ইউহোন্না ১০:১৭-১৮)। কোৰাণত সৰ্ব্বশক্তিমান জনে পোনে পোনেই ঈছাক কৈছিল ঃ *"হে ঈছা, এতিয়া মই তোমাক ওভতাই আনিম, মোৰ ওচৰলৈ উঠাই আনিম... "* (ছুৰা আলে ইমৰাণ ৫৫ আয়াত)।

মছীহই মওত বৰণ কৰিছিল নিজ ইচ্ছাৰে, দুনিয়াৰ গুণাহ বহন কৰিছিল আমাৰ নাজাতৰ কাৰণে। তেওঁ মৃত্যুক জয় কৰি জীৱিত হৈছিল। তেওঁৰ সেই জয়যুক্ত পুনৰুত্থানক কোনেও বাধা দি ৰাখিব পৰা নাছিল। **এই দুনিয়াত তেওঁৰ দৰে এবাৰ মৰি পুনৰায় জী উঠা দ্বিতীয়জন ব্যক্তি আমি নাপাওঁ। মছীহৰ মওত মানৱ জাতিলৈ আল্লাহ পাকৰ মহৎ মেহেৰবানী।**



মছীহে কৈছে, *"তোমালোকৰ হৃদয় ব্যাকুল নহওক, আল্লাহক বিশ্বাস কৰা, মোতো বিশ্বাস কৰা। মোৰ আব্বাৰ গৃহত (বেহেস্তত) অনেক থকা ঠাই আছে, নোহোৱা হ'লে তোমালোকক কলোহেঁতেন, কিয়নো মই তোমালোকলৈ ঠাই যুগুত কৰিবলৈ যাওঁ। আৰু মই তোমালোকলৈ যদি ঠাই যুগুত কৰোগৈ, তেন্তে মই যি ঠাইত থাকো - তোমালোকো যেন সেই ঠাইত থাকিবলৈ পাবা - এই নিমিত্তে মই আকৌ আহি তোমালোকক মোৰ ওচৰলৈ লৈ যাম"* (ইউহোন্না - ১৪ঃ২-৩)।

Photo be paste here



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

## মছীহ সম্বন্ধে আপুনি কি জানে ?

এই দুনিয়াখন অন্তিম লক্ষ্যৰ প্ৰতি দ্ৰুতগতিত আগবাঢ়িছে। প্ৰত্যেক ঈমানদাৰ বান্দায়েই জানে যে ঈছা মছীহ আল্লাহ পাকৰ ওচৰৰ পৰা পুনৰ আহিব। গাফিল সকল ভয়ত বিচলিত হ'ব কিয়নো তেওঁলোকে ঈছা মছীহৰ ব্যক্তিত্ব আৰু প্ৰকৃত ক্ষমতাক অৱহেলা কৰিছে।

এই মহূৰ্তত আপুনিও জনা উচিত যে আপোনাৰ বৰ্তমান আৰু আখেৰাতৰ জীৱন এই প্ৰশ্নৰ ওপৰত নিৰ্ভৰশীলঃ "মছীহৰ সৈতে আপোনাৰ সম্বন্ধ কি ?" মছীহৰ ব্যক্তিত্বক উপলব্ধি কৰি, তেওঁক গ্ৰহণ কৰিলে তেওঁ আপোনাক আনন্দৰে পৰিপূৰ্ণ কৰি তুলিব। তেতিয়া জীৱনৰ সকলো বিষয় আপুনি নতুন দৃষ্টিৰে চাব, কিয়নো সমস্ত জ্ঞান ঈছা মছীহতেই গুপ্ত হৈ আছে। মহিমাৰে সৈতে আহি ঈছা মছীহে যেতিয়া আপোনাক প্ৰশ্ন কৰিব— 'তুমি মোৰ বিষয়ে কি চিন্তা কৰিছিলা ?' — তেতিয়া আপুনি নিশ্চয় সঠিক উত্তৰ দিব পাৰিব। সময় থাকোতেই তেওঁৰ জীৱন সম্বন্ধে ধ্যান কৰক। আপুনি তেওঁৰ ৰহমত আৰু মহব্বতৰ জৰিয়তে হৃদয়ত শান্তনা আৰু সকলো সমস্যাৰ সমাধান বিচাৰি পাব।

## মছীহৰ অলৌকিক জন্ম

ঈছা মছীহৰ নিচিনাকৈ আন কোনেও জন্মগ্ৰহণ কৰা নাছিল। কাৰণ ঃ

১) আনৰ নিচিনা তেওঁৰ কোনো পিতৃ নাছিল। তেওঁৰ জন্ম হৈছিল আল্লাহ পাকৰ ক্ষমতা আৰু বেহেস্তী উদ্দেশ্য অনুসাৰে, তেওঁৰ ৰূহুল কুদ্দুছৰ দ্বাৰা। *"আৰু সেইদৰে উপমা দিছে ইমৰাণ তনয়া মৰিয়ম, যিগৰাকীয়ে নিজ সতীত্ব ৰক্ষা কৰিছিল। পিছত আমি আমাৰ পক্ষৰ পৰাই তেওঁৰ ভিতৰত আমাৰ আত্মা ফুঁৱাই দিলো আৰু তেওঁ তেওঁৰ প্ৰভুৰ বাণীসমূহ আৰু পুথিসমূহৰ সত্যতা স্বীকাৰ কৰিলে। তেওঁ অনুগত দাস সকলৰ এগৰাকী আছিল"* (ছুৰা আত-তাহৰীম ১২আয়াত)।

২) তেওঁৰ জন্মৰ সাতশ বছৰ পূৰ্বে ঈশায়াহ নবীয়ে তেওঁৰ জন্মৰ ভৱিষ্যতবাণী কৰিছিল—*"যুৱতীজনী গৰ্ভৱতী হৈ পুত্ৰ প্ৰসৱ কৰিব আৰু*



*"মই তোমালোকৰ প্ৰভুৰ ওচৰৰ পৰা তোমালোকৰ বাবে নিদৰ্শন লৈ আহিছো; মই তোমালোকৰ আগত মাটিৰে পখীৰ আকাৰ দি তাত ফুঁ দিও আৰু ই আল্লাহৰ নিৰ্দেশত পখী হৈ পৰে। মই আল্লাহৰ নিৰ্দেশত জন্মান্ধ আৰু কুষ্ঠ ৰোগীক আৰোগ্য কৰো আৰু মৃতকক জীৱিত কৰো আৰু মই তোমালোকক কৈ দিব পাৰো তোমালোকে ঘৰত কি খাইছা, কি সঞ্চয় কৰিছা..."* (ছুৰা আলে ইমৰাণ ৪৯ আয়াত)। *"হে মৰিয়ম পুত্ৰ ঈছা, মই তোমাক আৰু তোমাৰ মাতৃক যি অনুগ্ৰহ কৰিছিলো সেয়া মনত পেলোৱা, পৱিত্ৰ আত্মাৰে তোমাক শক্তিমান কৰিছিলো। মাতৃৰ কোলাত থকাৰ পৰাই বৃদ্ধ বয়সলৈকে তুমি মানুহৰ লগত কথা কব পাৰিছিলা। মই তোমাক পুথি আৰু জ্ঞান বুদ্ধি, তওৰাত আৰু ইঞ্জিলৰ জ্ঞান দান কৰিছিলো। তুমি মোৰ অনুমতি ক্ৰমে বোকা মাটিৰ দ্বাৰা পখীৰ আকৃতি দি তাত ফুঁ দিছিলা আৰু মোৰ অনুমতিত সি পখী হৈছিল। তুমি জন্মান্ধ আৰু কুষ্ঠ ৰোগীক মোৰ অনুমতিতেই নিৰাময় কৰিছিলা আৰু মোৰ অনুমতিতেই তুমি মৃতকক জীৱিত অৱস্থালৈ আনিছিলা..."* (ছুৰা আল-মায়িদা ১১০ আয়াত)।

লাজাৰ নামৰ এজন ব্যক্তিৰ ইন্তেকাল হোৱাত তেওঁক কবৰ দিয়া হৈছিল। তেওঁৰ ক্ৰন্দনৰত আত্মীয় স্বজন মছীহৰ ওচৰলৈ আহিছিল সহায় বিচাৰি। তেওঁ সেই ঠাইত উপস্থিত হওঁতে লাজাৰক কবৰ দিয়া চাৰি দিন হৈ গৈছিল। লাজাৰৰ কবৰৰ ওচৰলৈ গৈ মছীহে খুউব জোৰে চিঞৰি কৈছিল, "লাজাৰ ওলাই আঁহ" আৰু সঁচাকৈয়ে মৃত সেই ব্যক্তি কবৰৰ পৰা জীৱন্তে ওলাই আহিছিল। সেই জীৱনদাতাৰ বেহেস্তী মাত শুনিলে আপুনিও ৰূহানীভাৱে মৃত অৱস্থাৰ পৰা জীয়াই উঠিব। কিয়নো মছীহই কৈছিল, *"ময়েই জীৱন আৰু পুনৰুত্থানো"* (ইউহোন্না ১১:২৫)।

এনে এটি দিন আহিব যিদিনা সকলো মৃত ব্যক্তিয়ে তেওঁৰ মাত শুনি জী উঠিব আল্লাহ পাকৰ সৈতে বাস কৰিবলৈ নাইবা এক ভয়ঙ্কৰ বিচাৰৰ কাৰণে যাৰ পৰিণতি অনন্ত দোজখ। **নিজৰ হৃদয় মছীহৰ প্ৰতি মুকলি কৰিলে আপুনি ইহকালত সুখ-শান্তি আৰু পৰকালত বেহেস্তী জীৱন লাভ কৰিব পাৰিব।**



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

*দিয়া, এই কথা ভায়েৰাক কেনেকৈ কব পাৰা? হে কপটি, প্ৰথমত নিজৰ চকুৰ পৰা সেই চতি উলিয়াই পেলোৱা, তেহে তোমাৰ ভায়েৰাৰ চকুৰ পৰা কুটাডালি উলিয়াবলৈ ভালকৈ দেখিবা"* (মথি ৭:১-৫)। *"হে পৰিশ্ৰান্ত আৰু ভাৰাক্ৰান্ত লোকসকল, মোৰ ওচৰলৈ আঁহা; মই তোমালোকক জিৰণি দিম। মই নম্ৰ আৰু কোমল দিলৰ মানুহ, এই হেতুকে তোমালোকৰ ওপৰত মোৰ যুঁৱলি লোৱা আৰু মোৰ পৰা শিক্ষা লোৱা; তাতে তোমালোকে নিজৰ নিজৰ মনত জিৰণি পাবা কিয়নো মোৰ যুঁৱলি সুসহ্য, আৰু ভাৰো লঘু।" (মথি ১১:২৮-৩০)*।

এই সকলো উক্তিৰ গভীৰলৈ প্ৰৱেশ কৰিলে আপুনি বুজিব যে ঈছা মছীহই দুনিয়াৰ নূৰ আৰু তেওঁৰ বাক্য পালন কৰোঁতা সকলোকে শান্তি আৰু প্ৰকৃত জীৱন দিওতা। আন সকলো নবী আছিল সেই নূৰৰ অংশমাত্ৰ, যিহতে এই অন্ধকাৰাচ্ছন্ন দুনিয়াক চন্দ্ৰৰ দৰে মৃদুভাৱে আলোকিত কৰিছে। অৰ্দ্ধচন্দ্ৰৰ পোহৰৰ দৰে সেই সকলো ম্লান হৈ গৈছে। ঈছা মছীহ প্ৰজ্বলিত সূৰ্যৰ পোহৰৰ দৰে সমস্ত শক্তিসহ দীপ্তিমান। সূৰ্য য'ত দীপ্তিমান তাত চন্দ্ৰক আমি কেনেকৈ অনুসৰণ কৰিম? মছীহই প্ৰকৃত নূৰ। তেওঁ আছিল মহব্বতৰ জীৱন্ত ৰূপ, সেয়েহে তেওঁ কব পাৰে, *"মইয়ে বাট আৰু সত্য আৰু জীৱন, মোৰ যোগেদি নগ'লে কোনেও সেই বেহেস্তী আব্বাৰ ওচৰত যাব নোৱোৰে"*(ইউহোন্না ১৪:৬) / *"আছমান আৰু দুনিয়া লুপ্ত হব, কিন্তু মোৰ কালাম লুপ্ত নহব"* (মথি ২৪:৩৫)।

## মছীহৰ ক্ষমতা

ঈছা মছীহৰ কাৰ্যাৱলীৰ বিষয়ে চিন্তা কৰা সকলে নিঃসন্দেহে এই কথা অনুভৱ কৰিব যে বেহেস্তৰ সকলো ক্ষমতা তেওঁকেই দিয়া হৈছে। সেয়ে তেওঁৰ ক্ষমতা অসীম কাৰণ আল্লাহ পাকৰ কাৰ্যবোৰ প্ৰকাশ্যে তেওঁ সম্পন্ন কৰিছিল, যি কাম সকলোৰে বাবে অসাধ্য আছিল। তেওঁ কুষ্ঠৰোগীক সুস্থ ও অন্ধৰ চকু মুকলি কৰিছিল। প্ৰচণ্ড ধুমুহা বতাহক মুখৰ কথাৰে শান্ত কৰিছিল। গালি পাৰি ভূত খেদাইছিল আৰু পাঁচোটা পিঠা আৰু দুটি মাছেৰে পাঁচ হেজাৰ লোকক তৃপ্ত কৰাইছিল। ইতিপূৰ্বে এনে কাম কোনেও কৰিব পৰা নাই।



*তেওঁৰ নাম ইম্মানুৱেল (আমাৰ লগত খোদা) ৰাখিব"* (ঈশায়াহ ৭:১৪)। আল্লাহ পাকে তেওঁৰ ৱাদা পূৰণ কৰি নিৰ্দিষ্ট সময়ত কুমাৰী মৰিয়মৰ গৰ্ভত তেওঁৰ জন্ম হ'বলৈ দিছিল। সেয়ে কোৰাণ শ্বৰীফত তেওঁক মৰিয়মৰ পুত্ৰ বুলি কোৱা হৈছে। ঈছা মছীহ যে আল্লাহৰ কালাম এই হকীকত আপুনি জানিছিল নে? ঈঞ্জিল শ্বৰীফ পাঠ কৰক ঃ *"আদিতে কালাম আছিল আৰু কালাম আল্লাহ পাকৰ সৈতে আছিল... সেই কালাম মানুহ হ'ল আৰু অনুগ্ৰহ আৰু সত্যতাৰে পৰিপূৰ্ণ হৈ আমাৰ মাজত বসতি কৰিলে"*(ইউহোন্না ১:১, ১৪)।

আল্লাহ পাকৰ পৱিত্ৰ কালামৰ মাজত ক্ৰিয়া কৰা সমস্ত সৃষ্টিধৰ্মী মছীহৰ অলৌকিক জন্ম সম্বন্ধে আপুনি কি চিন্তা কৰে? মছীহৰূপী কালামৰ মাজতো ক্ষমতা বিদ্যমান। তেওঁৰ জন্মৰ লগত পৃথিৱীৰ কোনো মহাপুৰুষৰ জন্মৰ তুলনা নহয়। জন্মৰ দিশৰ পৰা তেওঁ অদ্বিতীয়। আল্লাহ পাকে আদমক মাটিৰ পৰা সৃষ্টি কৰিছিল। আমি সকলোৱেই আদমৰ সন্তান ও মাটিৰ সৃষ্টি। **এনেকি, নবীসকলো জাগতিক তলৰ পৰা সৃষ্ট। কিন্তু মছীহৰ জন্ম ওপৰৰ পৰা, অৰ্থাৎ তেওঁ বেহেস্তৰ পৰা নামি আহিছিল। তেওঁ পৱিত্ৰ, নিস্কলঙ্ক-আমি কিন্তু দোষী, অপৱিত্ৰ আৰু কলঙ্কিত, কিয়নো আমি কোনেও ৰূহুল কুদ্দুছৰ দ্বাৰা জন্ম হোৱা নাই।** মছীহৰ সমন্ধে ইঞ্জিলত পাওঁ, " **তোমালোকৰ মাজৰ কোনে মোক গুনাহ গাৰ বুলি প্ৰমাণ দিব পাৰে...?**" (ইউহোন্না ৮:৪৬)। কিন্তু মানুহ সমন্ধে পাওঁ, " **কিয়নো সকলোৰে পাপ কৰিলে আৰু আল্লাহৰ মহিমাৰ পৰা বঞ্চিত হৈছে।**"

কিতাবুল মোকাদ্দাছৰ ইঞ্জিল শ্বৰীফ খন্ডত আমি এটা আচৰিত কথা পঢ়িবলৈ পাওঁ যে ঈছা মছীহ এই জগতলৈ আহিছিল গুণাহ গাৰ সকলক নাজাত দিবলৈ। *"সেৱা শুশ্ৰূষা পাবলৈ নহয়, কিন্তু সেৱা শুশ্ৰূষা কৰিবলৈ আৰু অনেকৰ মুক্তিৰ মুল্যৰ অৰ্থে নিজৰ প্ৰাণ দিবলৈহে আহিল"* ( মাৰ্ক ১০:৪৫)। কোনো মানুহেই মছীহৰ স্থান লব নোৱাৰে কিয়নো আমি সকলো পাৰ্থিৱ। কিন্তু ঈছা মছীহ পোনে পোনে আল্লাহ পাকৰ পৰা জন্ম হোৱা। আমাৰ দৰে পাপী মানুহৰ নাজাত দিবলৈ বেহেস্তৰ পৰা এই দুঃখময় জগতলৈ তেওঁৰ আগমণ হৈছিল। সেয়েহে ঈছা মছীহৰ অলৌকিক জন্মৰ কাৰণে



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

আমি সকলোৰেই কৃতজ্ঞ— তাৰ বাবে আল্লাহ পাকলৈ হাজাৰ হাজাৰ ধন্যবাদ।

## মছীহৰ বেগুণাহ জীৱন

ঈছা মছীহৰ জন্ম ৰূহুল কুদ্দুছৰ পৰা হৈছিল। জন্মৰে পৰা তেওঁ আছিল বেগুণাহ আৰু পাক। তেওঁ কেতিয়াও গুণাহ কৰা নাছিল ও আমাৰ দৰে আল্লাহ পাকৰ ওচৰত মাগফেৰাত কামনা কৰিব লগা হোৱা নাছিল। ফিৰিস্তাই মৰিয়মক কৈছিল এইদৰে ঃ *"তেওঁ ক'লৈ-মই তোমাৰ প্ৰভুৰ দ্বাৰা প্ৰেৰিত হৈ আহিছো আৰু মই তোমাক এটি পৱিত্ৰ পুত্ৰ সন্তান (দানৰ বাতৰি) দিবলৈ প্ৰেৰিত হৈছো "* (ছুৰা মৰ্য়ম ১৯ আয়াত)। দায়ুদ নবীয়ে মাগফেৰাত কামনা কৰিছিল। ইব্ৰাহীম নবীয়েও নিজৰ গুণাহৰ কাৰণে আল্লাহ পাকৰ দৰবাৰত ক্ৰন্দন কৰিছিল। হজৰত মহম্মদ (ছাঃ) মাগ্‌ফেৰাত কামনা কৰিছিল। কিন্তু ইঞ্জিল শ্বৰীফ বা কোৰাণ শ্বৰীফৰ ক'তো ঈছা মছীহে মাগফেৰাত কামনা কৰাৰ নিদৰ্শন এবাৰো নাপাব। বৰঞ্চ তেওঁ গুনাহ খন্ডন কৰিবলৈহে এই দুনিয়াত আহিছিল।

যিহেতু ঈছা মছীহ আছিল বে-গুণাহ সেয়ে তেওঁ দুষ্মনবোৰক খোলাখুলিকৈ প্ৰশ্ন কৰিছিল,*"তোমালোকৰ মাজৰ কোনে মোক গুণাহগাৰ বুলি প্ৰমাণ দিব পাৰে?"*(ইউহোন্না ৮:৪৬)। কিন্তু কোনেও তেওঁৰ দোষ আঙুলিয়াই দিব পৰা নাছিল। বিচাৰৰ সময়তো ৰোমান বিচাৰকে তিনিবাৰ আইনত স্বীকাৰ কৰিবলৈ বাধ্য হৈছিল, *"মই এওঁত কোনো দোষ নাপাওঁ "* (ইউহোন্না ১৮:৩৯; ১৯:৪,৬)। ৰোমীয়া সৈন্য সকলেও শেষত স্বীকাৰ কৰিছিল যে, ঈছাই কোনো পাপ কৰা নাছিল। ভূতেও মছীহৰ পৱিত্ৰতাত চিঞঁৰি উঠিছিল, *"হে নাছৰতীয়া ঈছা, আমাক নষ্ট কৰিবলৈ আহিল নে? আপুনি কোন তাক মই জানো, আপুনি খোদাৰ পৱিত্ৰ জনা"*(মাৰ্ক ১:২৪)।

আজিৰ এই দুনিয়াত আৰু আখেৰাতৰ বিচাৰৰ সময়তো এই কথা সকলোৱে জানিব যে মছীহ সম্পূৰ্ণ শুদ্ধ, নিখুত আৰু পৱিত্ৰ। তেওঁৰ সদৃশ্য কোনো নাই, কাৰণ তেওঁ কেতিয়াও গুণাহ কৰা নাছিল।



## মছীহৰ তালিম বা শিক্ষা

সকলো নবী, ৰছুল আৰু শুভবাৰ্ত্তা দিওঁতাসকল আল্লাহ পাকৰ কালামৰ দ্বাৰা অনুপ্ৰাণিত হৈছে। কিন্তু ঈছা মছীহ নিজেই আল্লাহ পাকৰ কালাম। তেওঁক কেন্দ্ৰ কৰিয়েই আল্লাহ পাকৰ সমস্ত সৃষ্টিশীল কুদৰত আৰু মহব্বতৰ শক্তি আৱৰ্ত্তিত। তেওঁৰ কথা কেৱল মুখৰ কথা নহয় তেওঁ যি কয় তাকেই কৰে। তেওঁৰ জীৱনত কোনো অৰ্ন্তদ্বন্দ আৰু ব্যক্তিত্বত কোনো সন্দেহৰ ছাঁ পৰ্যন্ত পোৱা নাযায়। তেওঁৰ বিষয়ে পৱিত্ৰ ইঞ্জিল শ্বৰীফত এনে বিৱৰণী পাওঁ, *"ঈছা মছীহে এই সকলো বাক্য কৈ এটালত লোকসমূহে তেওঁৰ তালিমত বিস্ময় মানিলে; কিয়নো তেওঁ তেওঁবিলাকৰ অধ্যাপকসকলৰ দৰে তালিম নিদি, ক্ষমতাসম্পন্ন জনৰ দৰে তেওঁবিলাকক উপদেশ দিলে"* (মথি ৭:২৮,২৯)। তেওঁক বন্দী কৰিবলৈ চেষ্টা কৰা দাসসকলে নিজৰ গৰাকীৰ ওচৰলৈ উভটি গৈ এইবুলি কৈছিল, "*.... সেইজনৰ দৰে মানুহে কেতিয়াও কথা কোৱা নাই "* (ইউহোন্না ৭:৪৬)।

## অতি নম্ৰভাৱে কোৱা ঈছা মছীহৰ কেইটিমান বাণী শুনকচোন

*"মই দুনিয়াৰ নূৰ; যিজন মোৰ পাছে পাছে আহে, তেওঁ আন্ধাৰত নুফুৰি জীৱনৰ নূৰ পাব"* (ইউহোন্না ৮:১২)। *".... জীৱন দিওঁতা আহাৰ ময়েই, যিজন মোৰ ওচৰলৈ আহে, তেওঁৰ কোনোমতে ভোক নালাগিব, আৰু যিজনে মোত ঈমান আনে, তেওঁৰ কেতিয়াও পিয়াহ নালাগিব"* (ইউহোন্না ৬:৩৫)। *"তোমালোকৰ দুছ্‌মন্‌বিলাকক মহব্বত কৰিবা আৰু তোমালোকক তাড়না কৰাবিলাকৰ নিমিত্তে দোৱা কৰিবা'* (মথি ৫:৪৪)। *"তোমালোকে পৰৰ বিচাৰ নকৰিবা, তেহে তোমালোকৰো বিচাৰ কৰা নহ'ব। কিয়নো যেনেকুৱা বিচাৰেৰে তোমালোকে বিচাৰ কৰা, তেনেকুৱা বিচাৰেৰে তোমালোকৰো বিচাৰ কৰা হ'ব। আৰু যি জোখেৰে তোমালোকে জোখা, সেই জোখেৰে তোমালোকলৈকো জোখা হব। তুমি নিজৰ চকুত পৰা চতিলৈ মন নকৰি, ভায়েৰাৰ চকুত থকা কুটা ডালিলৈ কিয় চাইছা? আৰু চোৱা, নিজৰ চকুত চতি এডাল থাকোতেই, তোমাৰ চকুৰ পৰা কুটাডালি উলিয়াবলৈ*



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com